3.4 **সংৰক্ষিত বাণিজ্য** (Protective Trade) ঃ যেতিয়া এখন দেশে বিদেশী দ্ৰব্যৰ ওপৰত শুল্ক ধাৰ্য্য আৰু আমদানিৰ পৰিমাণ নিৰ্দ্দিষ্ট কৰাৰ লগতে দেশীয় উদ্যোগ-প্ৰতিষ্ঠানক উদগনি যোগাবৰ বাবে বিভিন্ন ৰেহাইমূলক আৰু সাহাৰ্যমূলক সুবিধাৰ ব্যৱস্থা গ্ৰহণ কৰে তাকেই সংৰক্ষণ নীতি বোলা হয়। সাধাৰণতে বজাৰৰ গতিবিধি নিজ দেশৰ উন্নয়নৰ অনুকূল কৰিবৰ বাবে এনে নিয়ন্ত্ৰণমূলক ব্যৱস্থা গ্ৰহণ কৰা হয়। সংৰক্ষিত বাণিজ্যই স্থানীয় উদ্যোগ-প্ৰতিষ্ঠানসমূহৰ বিকাশত সহায় কৰাৰ লগতে আন্তৰ্জাতিক বাণিজ্যত দেখা দিয়া অৰ্থনৈতিক অস্থিৰতাই যাতে দেশীয় বাণিজ্যত ঘাটিৰ সৃষ্টি নকৰে তালৈ লক্ষ্য ৰাখে। কোনো এখন দেশে বাণিজ্য সংৰক্ষণ বিভিন্ন ধৰণেৰে প্ৰয়োগ কৰিব পাৰে। সেইয়া হ'ল—

(a) দেশ এখনে আমদানিৰ ওপৰত শুল্ক আৰোপ কৰি বাণিজ্য সংৰক্ষণ কৰিব পাৰে।

(b) দ্বিতীয়তে, দেশৰ উদ্যোক্তা বা প্ৰতিষ্ঠানকাৰীসকলক দেশীয় চৰকাৰে পোনপটীয়াকৈ বিভিন্ন সাহাৰ্য্য আগবঢ়াব পাৰে। যাতে উৎপাদন ব্যয়তকৈও কম দামত উৎপাদনীয় সামগ্ৰী দেশৰ উপভোক্তাসকলক যোগান ধৰি বিদেশী দ্ৰব্যৰ লগত প্ৰতিযোগিতাত অৱতীৰ্ণ হ'বলৈ দেশীয় উৎপাদন-প্ৰতিষ্ঠানে প্ৰেৰণা লাভ কৰে।

(c) তৃতীয়তে, দেশীয় চৰকাৰে আমদানিকৃত দ্ৰব্যৰ পৰিমাণ স্থিৰ কৰি আমদানিৰ পৰিসৰ সীমিত কৰিব পাৰে।

(d) চতুৰ্থতে, নিজ দেশৰ প্ৰাকৃতিক সম্পদ, উৎপাদনৰ উপাদান, কেঁচামাল আদি বিদেশলৈ ৰপ্তানি কৰাত বাধা নিষেধ আৰোপ কৰিব পাৰে।

সংৰক্ষণৰ সপক্ষে আৰু বিপক্ষে কিছুমান যুক্তি প্ৰদৰ্শন কৰা দেখা যায়। এই যুক্তিসমূহক বাণিজ্য নিয়ন্ত্ৰণৰ সুবিধা আৰু অসুবিধা নামেৰেও জনা যায়। তলত বাণিজ্য সংৰক্ষণৰ সপক্ষে আৰু বিপক্ষে সততে আলোচনা কৰা কিছুমান যুক্তি আলোচনা কৰা হ'ল।

### 3.5 সংৰক্ষণৰ সুবিধাসমূহ (Advantages of Protective Trade) ঃ

1. **চালুকীয়া উদ্যোগৰ সংৰক্ষণ** (Infant Industry Argument) ঃ কোনো এখন দেশৰ বৈদেশিক বাণিজ্য নিয়ন্ত্ৰণৰ সপক্ষে আগবঢ়োৱা এটা সৰল যুক্তি

হ'ল চালুকীয়া উদ্যোগৰ সংৰক্ষণৰ যুক্তি। দেশ এখনত নতুনকৈ গঢ়ি উঠা উদ্যোগবোৰেই হ'ল চালুকীয়া উদ্যোগ। এনে উদ্যোগবিলাকে ইতিমধ্যে প্ৰতিষ্ঠা লাভ কৰা বিদেশী উদ্যোগসমূহৰ লগত মুক্ত প্ৰতিযোগিতাত তিষ্ঠি থকাটো সম্ভৱ নহয়। পুনৰ দেশ এখনে আত্মনিৰ্ভৰশীলতাৰ লক্ষ্যত উপনীত হ'বলৈ হ'লে চালুকীয়া উদ্যোগসমূহে প্ৰতিযোগিতাত অংশ ল'বলৈ প্ৰস্তুত হ'বই লাগিব। গতিকে এনে উদ্যোগ-প্ৰতিষ্ঠানক উন্নয়নৰ সুবিধা প্ৰদান কৰিবলৈ প্ৰথমতে, এনে উদ্যোগে উৎপাদন কৰা দ্ৰব্য বস্তু বিদেশৰ পৰা আমদানি কৰা বন্ধ কৰিব লাগিব। অৱশ্যে আমদানিৰ ওপৰত উচ্চ হাৰৰ আমদানি শুল্ক আৰোপ কৰিও এই সমস্যা সমাধান কৰিব পাৰি। নতুনকৈ স্থাপন হোৱা চালুকীয়া অৱস্থাত থকা ঘৰুৱা উদ্যোগসমূহে আভ্যন্তৰীণ মিতব্যয়ীতা আৰু বাহ্যিক মিতব্যয়ীতা কোনোটোৱেই উপভোগ কৰাৰ সুবিধা নোপোৱাত সিবিলাকৰ উৎপাদন ব্যয় উচ্চ হোৱা বাবে সামগ্ৰীৰ দামো উচ্চ হয়। গতিকে এনে সামগ্ৰী আমদানিৰ ওপৰত উচ্চ হাৰৰ শুল্ক ধাৰ্য্য কৰিলে দেশীয় বজাৰত ঘৰুৱা দ্ৰব্য আৰু বিদেশী দ্ৰব্যৰ মাজত থকা পাৰ্থক্য দূৰ হয়। ফলত ঘৰুৱা উদ্যোগসমূহে নিজৰ উৎপাদিত দ্ৰব্য বিক্ৰী কৰাৰ সুবিধা পোৱাত ঘৰুৱা উদ্যোগ সম্প্ৰসাৰণ ঘটোৱাৰ সুবিধা পায়।

2. **শিল্পৰ বৈচিত্ৰ সাধন** (Diversification of Industries)ঃ দেশ এখনত বিভিন্ন উদ্যোগ গঢ়ি তুলিবৰ অৰ্থেও সংৰক্ষণ নীতিৰ পৃষ্ঠপোষকতা কৰা হয়। দেশ এখনত সমবিকাশ ঘটাবলৈ হ'লে শিল্পৰ বৈচিত্ৰ্য সাধনৰ প্ৰয়োজন। এখন দেশ যদি নিৰ্দিষ্ট কেইটামান উদ্যোগৰ ওপৰত নিৰ্ভৰশীল হয় তেতিয়াহ'লে দেশখন কেতিয়াও আত্মনিৰ্ভৰশীল হ'ব নোৱাৰে। কিয়নো দেশখনৰ প্ৰয়োজনীয় কিছুমান সামগ্ৰীৰ ক্ষেত্ৰত দেশখনে বিদেশৰ ওপৰত নিৰ্ভৰ কৰিব লগা হয়। এচাম অৰ্থনীতিবিদে মতপোষণ কৰিছিল যে দেশৰ প্ৰয়োজনীয় সামগ্ৰীৰ ক্ষেত্ৰত বিদেশৰ ওপৰত নিৰ্ভৰশীল হ'লে কেতিয়াবা-কেতিয়াবা ৰাজনৈতিক আৰু অৰ্থনৈতিক দিশৰ পৰা বিপদজনক হয়। উদাহৰণস্বৰূপে যুদ্ধৰ সময়ত এনে সামগ্ৰী আমদানি কৰা দেশখনৰ লগত ৰপ্তানি কৰা দেশখনৰ সম্পৰ্ক বেয়া হ'ব পাৰে। এনে হ'লে সামগ্ৰীৰ আমদানি-ৰপ্তানি বন্ধ হৈ গ'লে দেশখনত সংকটে দেখা দিব পাৰে। পুনৰ অৰ্থনৈতিক দৃষ্টিকোণৰ পৰাও পৰৰ ওপৰত অত্যাধিক নিৰ্ভৰশীলতা সুখকৰ নহয়। এই সকলো দিশ বিচাৰ কৰি

ক'ব পৰা যায় যে দেশ এখনে সকলো উদ্যোগৰ ভাৰসাম্য উন্নয়নৰ জৰিয়তে আত্মনির্ভৰশীলতা লক্ষ্যত উপনীত হোৱা অতিশয় প্ৰয়োজন। এনে লক্ষ্যত উপনীত হ'বৰ বাবে দেশ এখনত প্ৰয়োজন হোৱা সকলো দ্ৰব্য-সামগ্ৰী দেশীয়ভাৱে উৎপাদন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰাটো দৰকাৰ। পুনৰ যিবিলাক উদ্যোগ স্থাপন কৰিলে সামগ্ৰীৰ উৎপাদন ব্যয় বিদেশৰ তুলনাত বেছি হয় তেনে উদ্যোগক ৰক্ষণাবেক্ষণ দিয়া দৰকাৰ যাতে বিদেশী সামগ্ৰীৰ লগত প্ৰতিযোগিতাত অংশ ল'ব পাৰে।

3. **নিয়োগ বৃদ্ধি** (Promotion of Employment) ঃ এচাম অর্থনীতিবিদে মত পোষণ কৰিছিল যে বাণিজ্য সংৰক্ষণে এখন দেশৰ নিয়োগ বৃদ্ধি হোৱাত সহায় কৰে। ইয়াৰ কাৰণ সংৰক্ষণে স্থানীয় উদ্যোগৰ সম্প্ৰসাৰণ ঘটায় নতুন-নতুন সংস্থাপনৰ বাট মুকলি কৰে। নিযুক্তিৰ পৰিমাণ যিমানে বৃদ্ধি পায় স্বদেশী সামগ্ৰীৰ চাহিদাও সিমানে বৃদ্ধি পাব। স্বদেশী সামগ্ৰীৰ চাহিদা বৃদ্ধিয়ে উৎপাদন বৃদ্ধিত অৰিহণা যোগায়। মূলধনী সামগ্ৰী চাহিদা বৃদ্ধিয়ে বিনিয়োগ বৃদ্ধিৰ জৰিয়তে নিয়োগ আৰু আয়ৰ পৰিমাণ বৃদ্ধি কৰে। প্ৰকৃততে বিদেশী দ্ৰব্যৰ আমদানি নিষিদ্ধ কৰিলে এনে দ্ৰব্যৰ ঘৰুৱা প্ৰতিকল্পন দ্ৰব্যৰ চহিদা বৃদ্ধি পায়। গতিকে ঘৰুৱা দ্ৰব্যৰ চাহিদা বৃদ্ধিয়ে ঘৰুৱা উদ্যোগৰ বিনিয়োগ, নিয়োগ আৰু উপাৰ্জন বৃদ্ধি কৰি সক্ৰিয় চাহিদাৰ বৃদ্ধিৰ যোগেদি উপভোগ্য সামগ্ৰীৰ চাহিদা বৃদ্ধি কৰে। পুনৰ উপভোগ্য সামগ্ৰীৰ চাহিদা বৃদ্ধিয়ে ইয়াৰ গুণক-ত্বৰণৰ প্ৰভাৱৰ যোগেদি মূলধনী সামগ্ৰীৰ উদ্যোগসমূহতো বিনিয়োগ, নিয়োগ আৰু উপাৰ্জন বৃদ্ধি ঘটায়। গতিকে আমি ক'ব পাৰো যে এখন দেশত উদ্যোগীক সংৰক্ষণৰ ব্যৱস্থাই দেশত নিয়োগ, উৎপাদন, উপাৰ্জন আৰু চাহিদা সকলোখিনিৰে বৃদ্ধি ঘটায়।

4. **বাণিজ্য লেন-দেনৰ উদ্বৃত্তৰ পৰিশোধ** (Balance of Payment) ঃ কোনো এখন দেশে আমদানিৰ ওপৰত শুল্ক আৰোপ কৰি আমদানি নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰিলে দেশখনৰ বাণিজ্যিক লেন-দেনৰ উদ্বৃত্ত অৱস্থাৰ উন্নত হয়। আমদানিৰ ওপৰত শুল্ক আৰোপ কৰিলে আমদানিৰ পৰিমাণ কমে আৰু ৰপ্তানিৰ পৰিমাণ বৃদ্ধি পায়। এই ব্যৱস্থাৰে দেশ এখনে বৈদেশিক বাণিজ্যৰ বাণিজ্যিক লেন-দেনৰ পৰিশোধৰ অৱস্থা উন্নত কৰিব পাৰে। সাধাৰণতে যিবিলাক দেশে আমদানিৰ ওপৰত শুল্ক আৰোপ কৰে সেইবিলাক দেশৰ ক্ষেত্ৰত

আন্তৰ্জাতিক বাণিজ্যৰ বাণিজ্যিক লেন-দেনৰ ভাৰসাম্যহীনতা দূৰ কৰিবৰ বাবেহে এনেদৰে আমদানিৰ ওপৰত শুল্ক আৰোপৰ ব্যৱস্থা কৰা উচিত। কিয়নো এনে কৰিলে দেশখনত আমদানিকৃত সামগ্ৰীৰ দাম বঢ়াত চাহিদা হ্ৰাস পাব। যদি দেশখনৰ আমদানি দ্ৰব্যৰ প্ৰতি চাহিদাৰ দৰ স্থিতিস্থাপকতা অস্থিতিস্থাপক হয় তেনেহ'লে যিখন দেশে এনে সামগ্ৰী ৰপ্তানি কৰে, সেই দেশখনে ৰপ্তানিকৃত সামগ্ৰীৰ দৰ কমাবলৈ বাধ্য হয়। অৰ্থাৎ বাণিজ্যিক চৰ্ত আমদানি কৰা দেশখনৰ অনুকূলে যায়।

5. **মজুৰিৰ যুক্তি** (Wage Argument) ঃ সাধাৰণতে উন্নত দেশসমূহত শ্ৰমিকৰ মজুৰি উচ্চ হয়। ফলত এনেবিলাক দেশত শ্ৰমিক ব্যৱহাৰ কৰি উৎপাদন কৰা উদ্যোগসমূহৰ উৎপাদন ব্যয় অধিক হোৱাত সামগ্ৰীৰ মূল্য অধিক হয়। এনে অৱস্থাত অবাধ বাণিজ্য নীতিৰ আধাৰত বাণিজ্যিক সম্পৰ্ক গঢ়ি যিবোৰ দেশত শ্ৰমিকৰ মজুৰি নিম্নতম আৰু শ্ৰমিক ব্যৱহাৰ কৰি কৰা উৎপাদনীয় সামগ্ৰীৰ মূল্য কম তেনে সামগ্ৰী উন্নত দেশখনে আমদানী কৰিলে নিজ দেশৰ উৎপাদনীয় গোটবোৰ বন্ধ হৈ যোৱাৰ সম্ভাৱনা থাকে। কিয়নো উন্নত দেশসমূহত তেনে অৱস্থাত উদ্যোগসমূহ চলাই যাবলৈ হ'লে শ্ৰমিকৰ মজুৰি কমাব লাগিব। কিন্তু উন্নত দেশত শ্ৰমিক সংগঠনসমূহ যথেষ্ট প্ৰভাৱশালী হোৱাত শ্ৰমিকৰ মজুৰি কম কৰা সম্ভৱ নহয়। গতিকে উচ্চ মজুৰিপ্ৰাপ্ত শ্ৰমিকসকলৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈকে উন্নত দেশে এনে সামগ্ৰীৰ আমদানিৰ ওপৰত আমদানি শুল্ক আৰোপ কৰিব লগা হয়। অৱশ্যে উন্নত দেশসমূহত উচ্চ মজুৰিপ্ৰাপ্ত শ্ৰমিকসকলৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ গৈ আমদানিৰ ওপৰত উচ্চ হাৰৰ আমদানি শুল্ক আৰোপ কৰাটো যুক্তিটো বৰ সঠিক নহয়। ইয়াৰ কাৰণ শ্ৰমিকেই উৎপাদনৰ একমাত্ৰ উপাদান নহয়। শ্ৰমিকৰ স্থানত মূলধন নিযুক্তি বৃদ্ধি কৰিলেও উৎপাদন বৃদ্ধি আৰু উৎপাদন ব্যয় হ্ৰাস পোৱাৰ সম্ভাৱনা থাকে। দ্বিতীয়তে, উন্নত দেশত শ্ৰমিকৰ মজুৰি উচ্চ কিয়নো শ্ৰমিকৰ দক্ষতাও উচ্চ। উচ্চ দক্ষতাসম্পন্ন শ্ৰমিকৰ মজুৰিৰ হাৰ উচ্চ হ'লেও উৎপাদন ক্ষমতা উচ্চ হোৱাত উৎপাদন ব্যয় নিশ্চয় কম হ'ব। গতিকে সস্তীয়া শ্ৰমিকৰ যোগান বৃদ্ধিয়ে দেশত উৎপাদন ব্যয় কম কৰি সামগ্ৰীৰ দাম কম কৰিব বুলি ভবা ধাৰণাটো শুদ্ধ বুলিব নোৱাৰি।

6. **ৰাজহ বৃদ্ধি** (Revenue) ঃ আন্তৰ্জাতিক বাণিজ্য নীতি মানি চলা কোনো

এখন দেশে আমদানিৰ ওপৰত শুল্ক আৰোপ কৰি দেশৰ ৰাজহ বৃদ্ধি কৰিব পাৰে। দেশীয় চৰকাৰে সীমা শুল্ক আৰোপনৰ যোগেদিও অতিৰিক্ত ৰাজহ সংগ্ৰহ কৰিব পাৰে। মুক্ত বা অবাধ বাণিজ্যত এনেদৰে শুল্ক আৰোপন কৰি দেশৰ ৰাজহ বৃদ্ধি কৰাৰ কোনো অৱকাশ নেথাকে।

7. **প্ৰাকৃতিক সম্পদৰ সংৰক্ষণ** (Conservation of Natural Resources) ঃ আন্তৰ্জাতিক বাণিজ্যত সংৰক্ষণ নীতি বলবৎ কৰি এখন দেশে দেশখনৰ প্ৰাকৃতিক সম্পদসমূহ বিদেশী শোষকৰ হাতৰ পৰা ৰক্ষা কৰিব পাৰে। কিয়নো অবাধ বাণিজ্য নীতিৰ আধাৰত এখন দেশৰ প্ৰাকৃতিক সম্পদসমূহ বিভিন্ন প্ৰকাৰে বিদেশলৈ গমন কৰিব পাৰে। উদাহৰণস্বৰূপে অবাধ বাণিজ্যৰ বাবেই দক্ষিণ আফ্ৰিকাই এটা সময়ত সোণৰ ভাণ্ডাৰ হেৰুৱাব লগা হৈছিল। সাধাৰণতে অনুন্নত অৰ্থনীতি সমূহে আমদানি পৰিশোধৰ নামত প্ৰাথমিক দ্ৰব্য আৰু প্ৰাকৃতিক সম্পদসমূহ (কেঁচামাল) বিদেশলৈ ৰপ্তানি কৰিবলৈ বাধ্য হয়। সেয়েহে এনেবোৰ দেশে বিলাসী সামগ্ৰী আমদানি কৰাতকৈ আমদানিৰ ওপৰত উচ্চ হাৰৰ শুল্ক আৰোপ কৰি আমদানিৰ চাহিদা কমাই দেশৰ প্ৰাকৃতিক সম্পদৰ ৰপ্তানি ৰোধ কৰা দৰকাৰ।

8. **মূল বা গুৰু উদ্যোগৰ সংৰক্ষণ** (Basic Industries Arguments) ঃ দেশ এখনে উন্নয়ণৰ গতি ত্বৰান্বিত কৰিবলৈ হ'লে লো-তীখা, বিজুলী শক্তি, সাৰ উৎপাদন আদিৰ দৰে মূল বা গুৰু উদ্যোগৰ বিকাশ সাধন নিতান্ত প্ৰয়োজন। এনেবিলাক উদ্যোগৰ অবিহনে দেশৰ উন্নয়নৰ কথা ভাবিবকে নোৱাৰি। গতিকে এনে উদ্যোগ যাতে ঘৰুৱা খণ্ডত প্ৰতিযোগিতাবিহীনভাৱে গঢ়ি উঠিব পাৰে আৰু এনে উদ্যোগৰ উৎপাদনসমূহ যাতে দেশত উত্তম পদ্ধতিৰে বিতৰণ কৰি পৰা যায় তাৰবাবে এহাতে এনে উদ্যোগৰ সংৰক্ষণ আৰু চৰকাৰী পৃষ্ঠপোষকতাত বিতৰণ ব্যৱস্থা গঢ়ি তোলা নিতান্ত প্ৰয়োজন।

9. **আন্তৰ্জাতিক পৰ্য্যায়ত একচেটিয়া অধিকাৰ** (Monopoly Power) ঃ এইটো যুক্তি শুদ্ধ যে মুক্ত বা অবাধ বাণিজ্যই দেশৰ ভিতৰত উদ্যোগ প্ৰতিষ্ঠানৰ একচেটিয়া অধিকাৰ কেন্দ্ৰীভূত হোৱাত বাধা প্ৰদান কৰি উদ্যোগ-প্ৰতিষ্ঠানসমূহক প্ৰতিযোগিতাৰ সন্মুখীন কৰাই অত্যাধিক লাভ আহৰণৰ বাট বন্ধ কৰে। কিন্তু এনে কিছুমান উদ্যোগ প্ৰতিষ্ঠান আছে যাক আন্তৰ্জাতিক পৰ্য্যায়ত একচেটিয়া অধিকাৰ কেন্দ্ৰীভূত কৰাত সহায় কৰে। ফলত কিছুমান

দেশ অধিক শক্তিশালী হৈ পৰে আৰু আন কিছুমান দেশ অধিক দুৰ্বল হৈ পৰে। সঁচা অৰ্থত ঘৰুৱাভাৱে উৎপাদন কাৰ্য্য একচেটিয়া অধিকাৰী উদ্যোগ-প্ৰতিষ্ঠানতকৈ আন্তৰ্জাতিক পৰ্য্যায়ত একচেটিয়া শক্তিধৰ অধিক বিপদজনক। এনে শক্তিধৰ প্ৰতিষ্ঠানে বাকীবোৰ দেশক পুতলাৰ দৰে ব্যৱহাৰ কৰিব বিচাৰিব পাৰে। গতিকে এনে আন্তৰ্জাতিক শক্তিধৰ উদ্যোগ-প্ৰতিষ্ঠানৰ কবলৰ পৰা ঘৰুৱা প্ৰতিষ্ঠানৰ লগতে দেশখনকো ৰক্ষা কৰিবলৈ বাণিজ্যিক সংৰক্ষণ অতি প্ৰয়োজন।

**10. আত্মনিৰ্ভৰশীলতা (Self Dependent) ঃ** মুক্ত বা অবাধ বাণিজ্যই বিদেশী নিৰ্ভৰশীলতা বৃদ্ধি কৰে। সাধাৰণতে উন্নত দেশসমূহে যন্ত্ৰপাতি, সা-সৰঞ্জাম আনকি খাদ্য সামগ্ৰীও কম মূল্যতে ৰপ্তানি কৰিব পাৰে আৰু অনুন্নত তথা উন্নয়নশীল দেশসমূহেও কম মূল্যত ক্ৰয় কৰাৰ সুবিধা পোৱাত তেনে দ্ৰব্য আমদানি কৰি উপকৃত হয়। কিন্তু আন্তৰ্জাতিক বিবাদৰ সময়ত উন্নত দেশসমূহে তেনে সামগ্ৰীৰ যোগান বন্ধ কৰি দিলে আমদানিকাৰী দেশসমূহ সংকটৰ গৰাহত কৰে। সেয়েহে এনেবিলাক সামগ্ৰীৰ আমদানি বাণিজ্যিক সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰি দেশৰ ভিতৰত সিবিলাকৰ উৎপাদন বৃদ্ধি কৰাটো অতিশয় জৰুৰী।

**11. আন্তৰ্জাতিক বাণিজ্য চক্ৰৰ প্ৰভাৱ (Influence of the International Trade Cycle) ঃ** অবাধ বাণিজ্য নীতি মানি চলা অৱস্থাত বিদেশী অৰ্থনীতিত দেখা দিয়া বাণিজ্যিক উত্থান-পতনে ঘৰুৱা অৰ্থনীতিলৈও বিপৰ্য্যয় মাতি আনিব পাৰে। সেয়েহে এনে অবাঞ্চিত বিপদৰ পৰা হাত সাৰিবলৈ ঘৰুৱাভাৱে বাণিজ্যিক সংৰক্ষণৰ সহায় লোৱা দৰকাৰ হৈ পৰে।

**12. ডাম্পিং (Dumping) ঃ** উন্নত দেশসমূহে মাজে সময়ে আন্তৰ্জাতিক বজাৰত ডাম্পিং বজাৰ নীতি গ্ৰহণ কৰিব পাৰে। এনে নীতিৰ অধীনত উন্নত দেশসমূহে ঘৰুৱা বজাৰত সামগ্ৰীৰ অধিক দাম ধাৰ্য্য কৰাৰ বিপৰীতে বিশ্ব বজাৰখন হাতৰ মুঠিলৈ নিয়াৰ অভিপ্ৰায়ে ৰপ্তানিকৃত সামগ্ৰীৰ দাম উৎপাদন ব্যয়তকৈ কম অৱস্থাত ধাৰ্য্য কৰিব পাৰে। অনুন্নত আৰু উন্নয়নশীল অৰ্থনীতিত এনে দামৰ বিপৰীতে ঘৰুৱা উদ্যোগ তিষ্ঠি থাকিব নোৱাৰাত বজাৰৰ পৰাই অপসাৰিত হয়। ফলত উন্নত দেশৰ উদ্যোগে একচেটিয়া অধিকাৰ লাভ কৰিব পাৰে। সেয়েহে উন্নত দেশৰ বণিক শ্ৰেণীৰ এনে কৌশলক নিস্ক্ৰিয়

কৰিবৰ বাবেই ঘৰুৱা উদ্যোগৰ সংৰক্ষণৰ অতি প্ৰয়োজন।

13. **ঘৰুৱা বজাৰ সংৰক্ষণ** (Protection of Domestic Market) ঃ সংৰক্ষিত বাণিজ্যই সংৰক্ষণৰ যোগেদি আমদানিৰ পৰিমাণ হ্ৰাস কৰে। ফলত দেশত এনে সামগ্ৰীৰ নাটনিয়ে ঘৰুৱা বজাৰত চাহিদা বৃদ্ধি ঘটায়। এনে অৱস্থাত ঘৰুৱাভাৱে তেনে সামগ্ৰীৰ উৎপাদন বৃদ্ধি কৰিলে ঘৰুৱা বজাৰৰ সম্প্ৰসাৰণ ঘটে। ফলত বিনিয়োগ, নিয়োগ আৰু উপাৰ্জন বৃদ্ধি কৰি দেশৰ উন্নয়নৰ গতি সম্প্ৰসাৰিত কৰে।

14. **বিনিময় হাৰ** (Terms of Trade) ঃ আমি যদি আন্তৰ্জাতিক বাণিজ্যৰ ইতিহাসৰ পাত লুটিয়াই চাওঁ তেন্তে দেখা পাও যে বাণিজ্যিক বিনিময় হাৰ সদায়েই উদ্যোগজাত দ্ৰব্যৰ অনুকূলে আৰু কৃষিজাত বা প্ৰাথমিক দ্ৰব্য প্ৰতিকূলে নিৰ্দ্ধাৰিত হয়। যিহেতু বিশ্বৰ উন্নত দেশসমূহে উদ্যোগজাত দ্ৰব্য আৰু উন্নয়নশীল দেশসমূহে প্ৰাথমিক সামগ্ৰী উৎপাদন কৰে গতিকে আন্তৰ্জাতিক বাণিজ্যিক হাৰ সদায়েই উন্নয়নশীল দেশৰ প্ৰতিকূলে যায়। গতিকে এনে অৱস্থাত মুক্ত বা অবাধ বাণিজ্য নীতিৰ সহায় ল'লে উন্নশীল অৰ্থনীতিসমূহ লোকচানৰ সন্মুখীন হয়। সেয়েহে নিজ দেশৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ উন্নয়নশীল দেশবোৰে বৈদেশিক বাণিজ্য নিয়ন্ত্ৰণ কৰা অতিশয় দৰকাৰী।

15. **অনা-অৰ্থনৈতিক যুক্তি** (Non-Economic Arguments) ঃ অনা-অৰ্থনৈতিক দৃষ্টিকোণৰ পৰাও সংৰক্ষিত বাণিজ্য যে ঘৰুৱা খণ্ডৰ বাবে প্ৰয়োজন তাৰ কিছুমান যুক্তি নথকা নহয়। উদাহৰণস্বৰূপে,

(a) **প্ৰতিৰক্ষাৰ যুক্তি** (Defence Arguments) ঃ দেশ এখনৰ প্ৰতিৰক্ষা